**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

## HEADLINES

১। রাজ্যৰ বিভিন্ন জিলাত বিশ্ব চিকল চেল দিৱসৰ আয়োজন।

২। অহা ২১ জুনত হ'বলগীয়া নীটৰ পুনৰ পৰীক্ষা সন্দৰ্ভত জিলা প্ৰশাসনৰ নিৰ্দেশনা জাৰি।

৩। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰত্যাশা প্ৰকল্পৰ অধীনত প্ৰাৰম্ভিক পৰ্যায়ত উত্তীৰ্ণ ৰাজ্যৰ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ ৫০ হাজাৰ টকাৰ জলপানি। *আৰু*

৪। বিশ্বকাপ ফুটবলত আজি মাজনিশা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াৰ মাজৰ খেল।

ooooo

সমগ্ৰ ৰাজ্যতে আজি বিশ্ব চিকল চেল দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে কামৰূপ মহানগৰ জিলাৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত চিকেল চেল ৰোগৰ পৰীক্ষণৰ লগতে প্ৰয়োজনীয় পৰামৰ্শদানৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। জনসাধাৰণৰ মাজত চিকল চেল ৰোগ সন্দৰ্ভত সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে সজাগতা সভাও অনুষ্ঠিত হয়। সজাগতা মূলক কাৰ্যসূচীসমূহত আগতীয়া ৰোগ চিনাক্তকৰণ, সময়মতে চিকিৎসা গ্ৰহণ আৰু নিয়মীয়া স্বাস্থ্য পৰ্যবেক্ষণৰ গুৰুত্বত আলোকপাত কৰা হয়। লগতে এই ৰোগৰ লক্ষণ, প্ৰতিৰোধ আৰু ব্যৱস্থাপনা সম্পৰ্কেও জনসাধাৰণক অৱগত কৰা হয়। এই কাৰ্যসূচীত স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী, আশাকৰ্মী আৰু স্থানীয় জনসাধাৰণে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

বিশ্ব চিক'ল চেল দিৱস উপলক্ষে আজি শোণিতপুৰ জিলাৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানত সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। ইয়াৰ জৰিয়তে এই ৰোগ বিধ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰা, ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু সঠিক ব্যৱস্থাপনাৰ প্ৰতি উৎসাহিত কৰাৰ প্ৰয়াস কৰা হৈছে। তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ অধীনৰ স্কুল অৱ নাৰ্চিঙৰ সন্মিলন কক্ষত এই দিৱস অনুষ্ঠিত হয়। এই দিৱস উপলক্ষে স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ বিমান শৰ্মাই সভাপতিত্ব কৰা সভাখনত চিক'ল চেল ৰোগ সম্পৰ্কে সজাগতা বৃদ্ধিৰ প্ৰয়োজনীয়তা, সময়মতে পৰীক্ষা নিৰীক্ষা আৰু উপযুক্ত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। এই অনুষ্ঠানত জিলা নডেল বিষয়া ডাঃ প্ৰদীপ কুমাৰ শৰ্মা, স্কুল অৱ নাৰ্ছিঙৰ অধ্যক্ষা, জিলা ডাটা মেনেজাৰ, অন্যান্য স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

পশ্চিম কাৰ্বি আংলং জিলাতো আজি বিশ্ব চিকল চেল দিৱসৰ আয়োজন কৰা হয়। জিলাখনৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানত জিলা স্বাস্থ্য সমিতি আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত হামৰেণ জিলা চিকিৎসালয়ত বিশেষ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত হামৰেণ জিলা চিকিৎসালয়ৰ অধীক্ষক, ভাৰপ্ৰাপ্ত উপ অধীক্ষক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পশ্চিম কাৰ্বি আংলং জিলাৰ তথ্য প্ৰৱন্ধকৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত চিকল চেল ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে ৰোগবিধৰ লক্ষণ, ইয়াৰ কাৰণ, প্ৰতিৰোধ আৰু আগতীয়া চিনাক্তকৰণ তথা সঠিক ব্যৱস্থাপপনা সন্দৰ্ভত আলোচনা কৰা হয়। জিলাখনৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰতো চিকেল চেল ৰোগ সন্দৰ্ভত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয় বুলি আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনাইছে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ নিৰ্ধাৰিত লক্ষ্যৰ পূৰ্বেই ভাৰতত ছিকেল ছেল ৰোগ নিৰ্মূল হ'ব বুলি আস্থা ব্যক্ত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি মধ্যপ্ৰদেশৰ ওমকাৰেশ্বৰত আন্তঃৰাষ্ট্ৰীয় ছিকেল ছেল দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাগ লৈ এইদৰে কয়।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ দ্বাৰা পৰিচালিত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট ২১ জুনত পুনৰ অনুষ্ঠিত কৰা হ'ব। এই পৰীক্ষা শান্তিপূৰ্ণ আৰু নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে শোণিতপুৰ জিলা প্ৰশাসনে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। শোণিতপুৰৰ জিলা দণ্ডাধীশ আনন্দ কুমাৰ দাসে এক নিৰ্দেশযোগে জিলাখনত নিৰ্ধাৰিত পাঁচটা পৰীক্ষা কেন্দ্ৰত ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলাখনৰ মিছামাৰীৰ ১ নম্বৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়, শালনীবাৰীৰ বায়ুসেনা ঘাটি তেজপুৰৰ ২ নম্বৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়, চোলমাৰাৰ ১নম্বৰ কেন্দ্ৰীয় বিদ্যালয় আৰু ন-পামৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। জিলাখনৰ দণ্ডাধীশে দিয়া নিৰ্দেশ অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহত ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত অনাধিকৃত বা কোনো অপ্ৰয়োজনীয় ব্যক্তিৰ সমাবেশ বা জমা হোৱা কাৰ্য সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত ব্যাঘাত জন্মাব পৰা বা অসৎ উপায় অৱলম্বন কৰাত সহায় কৰিব পৰা যিকোনো ধৰণৰ অনাধিকৃত প্ৰৱেশ, ফটোগ্ৰাফী, ভিডিঅ'গ্ৰাফী আৰু যোগাযোগ ব্যৱস্থাও নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ সামগ্ৰী সুৰক্ষা, জিম্মা আৰু পৰিবহনত বাধা বা হস্তক্ষেপ কৰা যিকোনো কাৰ্যৰ ওপৰত প্ৰশাসনে নিষেধাজ্ঞা আৰোপ কৰিছে। প্ৰশাসনৰ এই নিষেধাজ্ঞা ১৮ জুনৰ পৰা ২১ জুন পৰীক্ষা সম্পূৰ্ণ নোহোৱালৈকে বাহাল থাকিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

ইপিনে, চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট অনুষ্ঠিত কৰাক লৈ নগাঁও জিলা প্ৰশাসনেও কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এই পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধত একে ধৰণৰ নিষেধাজ্ঞা আৰোপ কৰাৰ লগতে পৰীক্ষাত নিয়োজিত জিলা প্ৰশাসনৰ সকলো বিষয়ববীয়াক সচেতন হ'বলৈ নিৰ্দেশ দিয়ে। পৰীক্ষা কেন্দ্ৰলৈ পৰিক্ষাৰ্থীয়ে কোনো ধৰণৰ বৈদ্যুতিন সামগ্ৰী নিব নোৱাৰিব বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে।

০০০০০

সদৌ টাই আহোম ছাত্ৰ সন্থা, আটাছুৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ মুক্তিনাথ চাৰিআলিত অ' এন জি চিৰ বিৰুদ্ধে দুঘণ্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আটাছুৰ অভিযোগ অনুসৰি অ' এন জি চিয়ে নিযুক্তি প্ৰক্ৰিয়া বন্ধ ৰখাৰ লগতে লোকচানৰ অজুহাতত ব্যক্তিগত প্ৰতিষ্ঠানক তৈলক্ষেত্ৰৰ দায়িত্ব প্ৰদান কৰা আৰু শিৱসাগৰৰ পৰা বিভিন্ন কাৰ্যালয় স্থানান্তৰ কৰাৰ দৰে সিদ্ধান্তসমূহ অসম তথা থলুৱা জনসাধাৰণৰ স্বাৰ্থ বিৰোধী। অ' এন জি চিত ১০০ শতাংশ থলুৱা নিযুক্তি নিশ্চিত কৰা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, পৰিবেশ সংৰক্ষণ, কলা-সংস্কৃতি আৰু ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়ন, ঠিকাৰ আবণ্টনৰ নিয়ন্ত্ৰণ নাজিৰাতে ৰখা, অ' এন জি চিৰ চিকিৎসালয়ৰ পৰিকাঠামো উন্নত কৰা আৰু চ্যুকাফা চিকিৎসালয়ত অনিয়ম বন্ধ কৰাৰ দাবীও সংগঠনটোৱে উত্থাপন কৰি ছাত্ৰ সংগঠনটোৰ এগৰাকী বিষয়ববীয়াই এইদৰে কয়।

বাইট

ধৰ্মঘট কাৰ্যসূচীত আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈৰ লগতে সংগঠনটোৰ নেতা-কৰ্মী আৰু ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰত্যাশা প্ৰকল্পৰ অধীনত চলিত বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱাৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত উত্তীৰ্ণ অসমৰ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ ৫০ হাজাৰ টকাকৈ

আগবঢ়োৱা জলপানিৰ বাবে আবেদনৰ প্ৰক্ৰিয়া মুকলি কৰা হৈছে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এটা বিবৃতিযোগে কয়, যে এই বৰ্ষৰ ইউ পি এছ চিৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমৰ ২৫ গৰাকী পৰীক্ষাৰ্থীক মূল আৰু মৌখিক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে ছাত্ৰ সন্থাই ৫০ হাজাৰ টকাকৈ জলপানি আগবঢ়াব। এই জলপানি লাভ কৰিবলৈ পৰীক্ষাৰ্থীসকলক ছাত্ৰসন্থাৰ ৱেবছাইট www. aasu. org. in ত আবেদন কৰিবলৈ আহ্বান জনোৱা হৈছে। অহা ২৪ জুনৰ নিশা ১২ বজালৈ এই আবেদন প্ৰক্ৰিয়া চলি থাকিব।

০০০০০০

জাপানৰ প্ৰধানমন্ত্ৰী অসম আগমনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰক নতুনকৈ সজাই-পৰাই তুলিছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশত গুৱাহাটী পৌৰ নিগম আৰু লোক নিৰ্মাণ বিভাগে যুদ্ধকালীন তৎপৰতাৰে মহানগৰক চাফ-চিকুণ কৰাৰ লগতে ৰাজহুৱা স্থানত নতুন ৰূপ দিয়া চেষ্টা চলাইছে। মহানগৰৰ বিভিন্ন স্থানত গছপুলি, ফুল ৰোপনৰ উপৰিও ষ্ট্ৰীট লাইট, ডিভাইডাৰসমূহৰ ৰং কৰি জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। আজি আদালতত অভিনেতা ৰবি শৰ্মাই সাক্ষ্য প্ৰদান কৰে। অৱশ্যে আজি সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অসম্পূৰ্ণ হোৱা বাবে কাইলৈ অভিনেতাগৰাকীক পুনৰ সাক্ষ্য গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচিত তদন্ত বিচাৰি অভিনেতা ৰবি শৰ্মাই এখন এজাহাৰ দাখিল কৰিছিল আৰু সেই অনুসৰি আদালতে আজি অভিনেতাগৰাকীৰ সাক্ষ্য গ্ৰহণ কৰিবলৈ আদালতত হাজিৰ হোৱাৰ নিৰ্দেশ দিছিল। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। আজি আদালতত অভিযুক্তৰ হৈ অধিবক্তা অনিল মিশ্ৰই ভাৰ্চুৱেল মাধ্যমেৰে যুক্তি প্ৰদৰ্শন কৰে। আজিৰ শুনানিত অসম চৰকাৰৰ হৈ বিশেষ লোক অধিবক্তা জিয়াউল কামাৰ উপস্থিত থাকে। পাছত আদালতে সকলো পক্ষৰ যুক্তি শুনি অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন ২৩ জুনত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে।

০০০০০০

প্ৰশাসনক ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জনসাধাৰণক বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা সহজভাৱে উপলব্ধ কৰোৱা, আঁচনিসমূহৰ বিষয়ে ৰাইজক সজাগ কৰা, ৰাজহুৱা ওজৰ-আপত্তি সময়মতে নিষ্পত্তি কৰা আৰু বিভিন্ন জনকল্যাণমূলক সেৱা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে। এই উদ্দেশ্যে চৰকাৰে **জনকল্যাণ শিবিৰ ২০২৬** বিভিন্ন অঞ্চলত আয়োজন কৰিছে। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত জিলা প্ৰশাসনৰ আটাইকেইটা উন্নয়ন খণ্ডত সুকীয়াকৈ আজিৰে পৰা জনকল্যাণ শিবিৰ ২০২৬ আয়োজন কৰা হৈছে। আজি আৰু কাইলৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুদীৰ্ঘ ১২ বছৰীয়া কাৰ্যকালত জনসাধাৰণৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ খতিয়ান ৰাইজৰ মাজত উত্থাপন কৰা হ'ব। শিৱসাগৰ জিলাত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীৰ কেইবাটাও শিবিৰত জিলাখনৰ আয়ুক্তসহ সহকাৰী জিলা আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, জিলা পৰিষদৰ সদস্যৰ লগতে আঞ্চলিক পঞ্চায়ত বিষয়ববীয়া আৰু অংগনবাড়ী কৰ্মীসকল উপস্থিত থাকে।

ইপিনে, নগাঁও জিলাৰ ১৩টা খণ্ড উন্নয়নৰ লগতে সদৰ আৰক্ষী ছাউনীত কালিৰে পৰা আৰম্ভ হোৱা জনকল্যাণ শিবিৰত ব্যাপক জনসমাগম দেখিবলৈ পোৱা গৈছে। নগাঁও জিলা প্ৰশাসন আৰু নগাঁও পৌৰ সভাৰ যুটীয়া উদ্যোগত এই শিবিৰ অনুষ্ঠিত কৰা হৈছে। এই কাৰ্যসূচীত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক, জিলা আয়ুক্ত,

অতিৰিক্ত আয়ুক্ত, পৌৰসভাৰ সভানেত্ৰী, জিলাখনৰ স্বাস্থ্য, কৃষি আৰু মীন বিষয়াৰ লগতে বহু চৰকাৰী তথা বেচৰকাৰী প্ৰতিষ্ঠানৰ বিষয়ববীয়া উপস্থিত থাকে।

চিৰাং জিলাতো আজিৰে পৰা দুদিনীয়াকৈ ছিদলী-চিৰাং উন্নয়ন খণ্ড আৰু বড়ো বজাৰ উন্নয়ন খণ্ডভিত্তিক কাজলগাঁও বজাৰ গৃহ আৰু বড়ো বজাৰ ভিচিডিচিৰ কাৰ্যালয়ত বিকশিত জনকল্যাণ শিবিৰৰ আয়োজন কৰা হৈছে।

শোণিতপুৰ জিলাতো ১৮ৰ পৰা ২০ জুনলৈকে তিনিদিনীয়া কাৰ্যসূচীৰে জিলাখনৰ সকলো উন্নয়ন খণ্ডতে জনকল্যাণ শিবিৰৰ আয়োজন কৰা হৈছে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি মাজনিশা চি-তল ষ্টেডিয়ামত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। পুৱতি নিশা বষ্টন ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত স্কটলেণ্ড, মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে আজি হোৱাৰ পুৱাৰ এখন খেলত মেক্সিক'ই দক্ষিণ কোৰিয়াক ১ - ০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত আজি কানাডাই কাটাৰক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ